# অধ্যায় ১২ ঃ দক্ষিণ ভাৰতৰ কলা আৰু স্থাপত্য শিল্প

## অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ কলা আৰু স্থাপত্য শিল্পৰ বিকাশ
- পল্লৱ
- ছোলা
- চালুক্য

১২.৪ মৌলিক বৈশিষ্ট্য
১২.৫ অৱদান
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান
১২.৯ আৰ্হি প্ৰশ্ন

## ১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পল্লৱ, ছোলা আৰু চালুক্যৰ অধীনত দক্ষিণ ভাৰতত স্থাপত্য কলাৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- ৰাজকীয় কলা আৰু স্থাপত্য শিল্পৰ প্ৰণালীৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- দাক্ষিণাত্যৰ কলা আৰু স্থাপত্য শিল্পৰ অৱদানৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

## ১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ভক্তি আন্দোলন আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি দাক্ষিণাত্যৰ পল্লৱ, ছোলা, চালুক্য অধীনত বিকাশ হোৱা কলা আৰু স্থাপত্য শিল্পৰ বিষয়ে আলোচনা কৰিম। মধ্য যুগৰ প্ৰথম ভাগত চালুক্য, পল্লৱ আৰু চোল সকল দক্ষিণ ভাৰতৰ তিনিটা বৃহৎ শক্তি আছিল। এই তিনিটা ৰাজবংশৰ শাসকসকল বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য আছিল। দক্ষিণ ভাৰতৰ ৰাজনৈতিক আৰু প্ৰশাসনিক প্ৰগতিৰ বাহিৰেও তেওঁলোকে স্থাপত্য কলাৰ বিকাশ সাধনত গুৰুত্বপূৰ্ণ অৱদান যোগাইছিল। দক্ষিণ ভাৰতত চালুক্য, পল্লৱ আৰু চোলসকলৰ মন্দিৰ আৰু স্থাপত্যৰ নিৰ্মাণ কলা সৌন্দৰ্য আৰু গাম্ভীৰ্যৰ ক্ষেত্ৰত অসাধাৰণ আছিল।

পল্লৱসকলে কিছুমান মনোমোহা মন্দিৰ আৰু ভাস্কর্য নির্মাণ কৰি মধ্যযুগৰ দক্ষিণ ভাৰতৰ স্থাপত্য বিদ্যাৰ ভেঁটি প্রতিষ্ঠা কৰিছিল। পল্লৱসকলৰ দিনতেই দক্ষিণ ভাৰতত প্রথম গাঁথনিৰে মন্দিৰ নির্মাণ কৰা হৈছিল। পল্লৱ ৰজাসকলৰ দিনত মন্দিৰৰ স্থাপত্য বিদ্যাৰ নিয়মীয়া ক্রমবিকাশ ঘটিছিল।

চালুক্য আৰু পল্লৱ সকলৰ দৰে ছোল ৰজাসকলো মহান নির্মাতা আছিল। চোলসকলৰ পৃষ্ঠপোষকতাত দ্রাবিড় শৈলীৰ স্থাপত্য বিদ্যাই উল্লেখনীয় প্রগতি লাভ কৰিছিল। প্রত্যেকখন নগৰৰ কেন্দ্রবিন্দুত তেওঁলোকে একোটাকৈ শিৱ মন্দিৰ নির্মাণ কৰিছিল। ইয়াৰ উপৰিও চোলসকলৰ দিনত চিত্রশিল্প আৰু ভাস্কর্যৰ এক উল্লেখনীয় উন্নতি সাধন হৈছিল। চোলসকলে নির্মাণ কৰা ব্রঞ্জৰ নটৰাজৰ মূর্ত্তি ভাৰতৰ ভাস্কর্যৰ এক শ্রেষ্ঠ নিদর্শন হিচাপে গণ্য কৰা হয়।

চালুক্যসকল, কেৱল ৰাজনৈতিক সাফল্যৰ কাৰণেই নহয় দক্ষিণ ভাৰতৰ স্থাপত্য-কলাৰ উন্নতিৰ ক্ষেত্রত তেওঁলোকে আগবঢ়োৱা অৱদানৰ কাৰণেও বিখ্যাত। বাতাপীৰ চালুক্যসকলৰ দিনত গাঁথনিৰে মন্দিৰ নির্মাণ কৰাৰ ক্ষেত্রত দক্ষিণ ভাৰতীয় বা 'বেচাৰা' শৈলীৰ বিকাশ সাধন হৈছিল। তেওঁলোকে বিলাতী মাটি আৰু বালিৰ মিশ্রণ অবিহনে শিলেৰে নির্মাণ কলা সম্পন্ন কৰিছিল। তেওঁলোকৰ পৃষ্ঠপোষকতাত বৌদ্ধ, জৈন আৰু ব্রাহ্মণসকলে গুহাৰ মন্দিৰ নির্মাণৰ ক্ষেত্রত পৰস্পৰে পৰস্পৰৰ লগত প্রতিদ্বন্দ্বীতাত লিপ্ত হৈছিল।

## ১২.৩ কলা আৰু স্থাপত্য শিল্পৰ বিকাশ

● পল্লৱ

ইশ্বাকু ৰাজ্যৰ পতনৰ পাছত কৃষ্ণা-গুণ্টুৰ অঞ্চলত পল্লৱ সকলৰ উত্থান হৈছিল। প্রথম মহেন্দ্র বর্মণ আৰু প্রথম নৰসিংহ বর্মণৰ ৰাজত্বকালত পল্লৱ সকল দক্ষিণ ভাৰতৰ এক প্রধান শক্তিত পৰিণত হৈছিল। স্থাপত্য বিদ্যা আৰু ভাস্কর্যৰ পৃষ্ঠপোষকতাৰ কাৰণে পল্লৱ সকলৰ শাসন অতি গুৰুত্বপূর্ণ আছিল।

Prof. Percy Brown ৰ মতে "Of all great powers that together made the history of Southern India, none had a more marked effect on the architecture of their reign than the earliest of all, that of the Pallavas, whose productions provided foundations of the Dravidian style."

পল্লৱ স্থাপত্য বিদ্যাৰ বিভিন্ন সময়ত বিভিন্ন শৈলীৰ নিয়মীয়া ক্রমবিকাশ ঘটিছিল। পল্লৱ সকলৰ মন্দিৰ স্থাপত্য বিদ্যাক শিলত কটা মন্দিৰ আৰু গাথঁনিৰে নির্মিত মন্দিৰ এই দুটা ভাগত কৰিব পাৰি।

প্রথম শৈলীটোক মহেন্দ্র শৈলী হিচাপে জনাজাত যি খ্রীষ্টাব্দ ৫০০-৬২৫ লৈ বিকশিত হৈছিল। পল্লৱ ৰজা প্রথম মহেন্দ বর্মণে কঠিন শিলৰ পৰা শিলৰ মন্দিৰ খননৰ পদ্ধতি আৰম্ভ কৰিছিল। কঠিন শিলত কটা গুহা, বৃত্তাকাৰ লিংগ আৰু ঘনাকৃতিৰ স্তম্ভ মহেন্দ্র শৈলীৰ প্রধান বৈশিষ্ট্য আছিল।

ইয়াৰ পৰৱৰ্তী সময়ত খ্ৰীষ্টাব্দ ৬২৫ৰ পৰা ৬৭৪ লৈ মামালা শৈলী বিকশিত হৈছিল। 'গংগাৰ অৱৰোহণ' আৰু মামালাপুৰমৰ পাঁচটা ৰথ এই সময়চোৱাত নিৰ্মাণ কৰা হৈছিল। মামালাপুৰমত সৰ্বমুঠ সাতটা ৰথ আছে। 'পাঁচটা ৰথ' আছিল থিয় শিলাখণ্ড আৰু কঠিন গ্ৰেণাইটৰ পাহাৰত কটা। পাঁচোটা ৰথক পঞ্চপাণ্ডৱৰ নামেৰে আৰু আন দুটাক দ্ৰৌপদী আৰু গণেশৰ নামেৰে নামকৰণ কৰা হৈছিল। দুৱাৰ বা বেৰত লগোৱা ফলক আৰু ত্ৰৈমাত্ৰিক ভাস্কৰ্যটো মামালা শৈলী দেখা পোৱা যায়। বৰাহ গুহা মন্দিৰত বৰাহ অৱতাৰ, সূর্য দুর্গা আৰু গজ লক্ষ্মীৰ ফলক দেখা পোৱা যায়। পল্লৱসকলৰ ভাস্কৰ্যৰ এক অতুলনীয় শ্ৰেষ্ঠ নিদৰ্শন আছিল 'গংগাৰ অৱৰোহন'। ইয়াত গংগাক দেৱতা আৰু জীৱ জন্তুৰ সৈতে তললৈ নামি অহাৰ চিত্ৰ অংকন কৰা হৈছে। Grousset ৰ মতে "Descent of the Ganga is a vast picture, a regular fresco in stone. It is a masterpiece of classic art which draws all creatures together round the beneficent water."

পল্লৱ সকলৰ মন্দিৰ নিৰ্মাণৰ তৃতীয় শৈলীটো আছিল ৰাজাসিংহ শৈলী যি খ্ৰীষ্টাব্দ ৭০০ ৰ পৰা ৮০০ লৈ বিকশিত হৈছিল। প্ৰথম নৰসিংহ বৰ্মণ ৰাজা সিংহই ইটা আৰু কাঠৰ পৰিৱৰ্তে শিলৰ গাথঁনিৰে মন্দিৰৰ নিৰ্মাণ শৈলী আৰম্ভ কৰিছিল। কাঞ্চীৰ গাথঁনীৰে নিৰ্মিত মন্দিৰ আৰু মহাবলীপুৰমৰ উপকূলৰ মন্দিৰে ৰাজাসিংহৰ শৈলীৰ প্ৰতিনিধিত্ব কৰে। কাঞ্চীৰ কৈলাশনাথ মন্দিৰ আৰু বৈকুণ্ঠ পেৰুমল মন্দিৰ আৰু মহাবলীপুৰমৰ সমুদ্ৰ তীৰৱৰ্তী মন্দিৰ এই সময়চোৱাত নিৰ্মিত ছটা মন্দিৰৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ। কাঞ্চীৰ কৈলাশনাথ মন্দিৰে পল্লৱ ৰজা ৰাণীসকলৰ জীৱন্ত প্ৰতিচ্ছৱি দাঙি ধৰিছে। এই মন্দিৰত পিৰামিড আকাৰৰ 'বিমান' (Vimana) আৰু চেপেটা চালৰ (Roof) মন্দপম আছে। মন্দিৰৰ লগালগিকৈ সাতটা সৰু মন্দিৰ আছে। সিংহ খোদিত বহুতো স্তম্ভই মন্দপমটো ধৰি ৰাখিছে। কাঞ্চীৰ বৈকুণ্ঠ পেৰুমল মন্দিৰ হৈছে বিষ্ণু মন্দিৰ। এই মন্দিৰত পল্লৱসকলৰ মন্দিৰৰ ভাস্কৰ্য বিদ্যাই সম্পূৰ্ণতা লাভ কৰিছিল।

পল্লৱ সকলৰ ভাস্কৰ্য বিদ্যাৰ চতুৰ্থ শৈলীটো আছিল অপৰাজিতা শৈলী যি খ্ৰীষ্টাব্দ ন শতাব্দীত উন্নতি লভিছিল। এই পৰ্যায়ত পল্লৱ স্থাপত্য বিদ্যাই চোলসকলৰ স্থাপত্য বিদ্যাৰ কাষ চাপি গৈছিল। লিংগসমূহ চুঙা আকৃতিৰ আৰু স্তম্ভৰ শীৰ্ষভাগ বেছি দৃষ্টি আকৰ্ষণকাৰী হৈ পৰিছিল।

পল্লৱ সকলৰ শাসনৰ শেষচোৱাত কাঞ্চীৰ মুক্তেশ্বৰ আৰু মুটুংগেশ্বৰ মন্দিৰ, ওৰাগাদামৰ বেদমালিশ্বৰ মন্দিৰ, টিৰুতানিৰ বিৰাটানেশ্বৰ মন্দিৰ আৰু গুদিমালানৰ পেৰাসুৰ্মশ্বৰ মন্দিৰ নিৰ্মাণ কৰা হৈছিল।

**চিত্ৰকলা ঃ** পল্লৱ সকলৰ ৰজা মহেন্দ্ৰ বৰ্মণৰ ৰাজত্বকালৰ কিছুমান মনোমোহা চিত্ৰ পুডুকোট্টাইৰ (মাদ্ৰাজ) চিট্টানাভাচাল গুহা মন্দিৰত পোৱা যায়।



### অগ্ৰগতিৰ নিৰীক্ষণ

**প্ৰশ্ন ১ ঃ** কোনজন পল্লৱ ৰজাই ৰাজাসিংহ শৈলীৰ আৰম্ভ কৰিছিল ?

.....

**প্ৰশ্ন ২ ঃ** কাক পল্লৱ সকলৰ স্থাপত্য বিদ্যাৰ শ্ৰেষ্ঠ নিদৰ্শন হিচাপে গণ্য কৰা হয়?

.....

**প্ৰশ্ন ৩ ঃ** পল্লৱ সকলৰ মন্দিৰৰ স্থাপত্য বিদ্যাই ক'ত সম্পূৰ্ণতা লাভ কৰিছিল?

.....

● **ছোলা**

চোলসকল ভাৰতৰ পুৰণি ৰাজবংশ আছিল। মেগাস্থেনিচৰ টোকা আৰু অশোকৰ শিলালিপিত চোলসকলৰ বিষয়ে উল্লেখ আছে। সংগম যুগত কাৰিকলৰ নেতৃত্বত চোলসকলৰ শক্তিশালী ৰাজ্যত পৰিণত হৈছিল। কিন্তু অতি সোনকালে তেওঁলোকে গৌৰৱ হেৰুৱাই আৰু পল্লৱ, চালুক্য আৰু ৰাষ্ট্ৰকূটসকলৰ অধীনত সামন্তবাদী শক্তিলৈ পৰিণত হৈছিল। খ্ৰীষ্টাব্দ নৱম শতিকাৰ মাজভাগত বিজয়ালয়ে চোল সাম্ৰাজ্য পুনৰোজ্জীৱিত কৰিছিল যি এসময়ত পল্লৱ সকলৰ অধীনত এক শক্তিশালী সামন্তবাদী নেতা আছিল। চোলসকলে পল্লৱ সকলক সম্পূৰ্ণৰূপে পৰাস্ত কৰি আৰু পাণ্ড্যসকলক দুৰ্বল কৰি তেওঁলোকৰ পৰা টোণ্ডৱমালা (তামিল দেশ) অধিকাৰ কৰি লয়।

চোলসকলৰ ৰাজত্বকালত দ্ৰাবিড় শৈলীৰ স্থাপত্য বিদ্যা সুন্দৰ ৰূপত বিকশিত হৈছিল। ঐতিহাসিক Fergusson ৰ মতে "The Chola artist conceived like giants and finished like jewellers".

শ্ৰীনিবাসানালুৰৰ কোৱংগনাথ (Koranganath) মন্দিৰ চোল ৰজা প্ৰথম পৰান্তকে নিৰ্মাণ কৰিছিল। এই মন্দিৰৰ এক অতুলনীয় বৈশিষ্ট্য হৈছে যে ইয়াৰ বিমানৰ (Vimana) বেৰৰ উপৰিভাগত হিন্দু দেৱ-দেৱীৰ মনোমোহা ভাস্কৰ্য খোদিত আছে। মহান ৰাজাৰাজাই তাঞ্জোৰৰ বৃহদেশ্বৰ মন্দিৰ নিৰ্মাণ কৰিছিল। এই সুন্দৰ মন্দিৰটো বহুতো গাঁথনি যেনে নন্দী-গৃহ, স্তম্ভ শোভিত অলিন্দ আৰু বৃহৎ আকাৰৰ সভা ঘৰৰে গঠিত। প্ৰফেচাৰ নীলকান্ত শাস্ত্ৰীৰ মতে "তাঞ্জোৰৰ মন্দিৰ দক্ষিণ ভাৰতৰ ইতিহাসৰ শ্ৰেষ্ঠ সময়চোৱাৰ এক সুন্দৰ কীৰ্তিস্তম্ভ আৰু তামিল ভাস্কৰ্য বিদ্যাৰ আটাইতকৈ ভাল নিদৰ্শন। ১০২৫ খ্ৰীষ্টাব্দত ৰাজেন্দ্ৰ চোলই তেওঁৰ নতুন ৰাজধানী গোংগাই চোলপুৰমৰত এক ধুনীয়া মন্দিৰ নিৰ্মাণ কৰিছিল। দৰচুৰামৰ ঐৰাৱতেশ্বৰ মন্দিৰ আৰু তাঞ্জোৰৰ সুব্ৰমনিয়া মন্দিৰ চোলসকলৰ দিনত নিৰ্মাণ কৰা হৈছিল।

**ভাস্কৰ্য ঃ** চোল ভাস্কৰ্যবিদসকলে মন্দিৰৰ বেৰ, স্তম্ভ, চাল আৰু অন্যান্য উপযুক্ত স্থানত ভাস্কৰ্যক শোভিত কৰিছিল। একে সময়তে তেওঁলোকে বেৰৰ খালী স্থানসমূহ যাতে অতি বেছি মূৰ্তিৰে ঠাঁহ খাই নপৰে এই ক্ষেত্ৰত সতৰ্ক আছিল। 'নায়নাৰ' আৰু আলভাৰ সাধু সন্ত সকলৰ ওপৰত ৰচিত সাহিত্যৰ প্ৰভাৱ বৃদ্ধিৰ ফলস্বৰূপে তেওঁলোকে বিলাসী ধৰ্মমূলক চিত্ৰ বনোৱাত মনোনিৰেশ কৰিছিল। তেওঁলোকৰ শিলৰ বৰ্ণনাত্মক ভাস্কৰ্যসমূহ সাধাৰণতে দুৱাৰ বা বেৰৰ ফলকত খোদিত কৰা হৈছিল।

চোলসকলৰ ব্ৰঞ্জৰ ভাস্কৰ্যসমূহৰ ভিতৰত বিভিন্ন ভংগীমাত থকা নটৰাজৰ মূৰ্তিবোৰ

আটাইতকৈ শ্ৰেষ্ঠ হিচাপে গ্ৰহণ কৰা হয়। নাগেশ্বৰ মন্দিৰত থকা নটৰাজৰ মূৰ্তি চোলসকলৰ আটাইতকৈ ডাঙৰ আৰু অপূৰ্ব সৃষ্টি।

চোল শাসকসকল জলসিঞ্চনৰ বান্ধ, কৃটিম জলাশয় আৰু ৰাস্তা ঘাটবোৰ মহান নিৰ্মাতা আছিল। প্ৰথম ৰাজেন্দ্ৰই বিখ্যাত কৃটিম জলসিঞ্চনৰ হ্ৰদ 'চোলগংগম' নিৰ্মাণ কৰিছিল। চোলসকলে কাবেৰী আৰু অন্যান্য নদীৰ এমূৰৰপৰা আনটো মূৰলৈ প্ৰকাণ্ড শিলৰ টকুৰা পেলাই জলসিঞ্চনৰ উদ্দেশেৰে পানীৰ গতি সলনি কৰি বান্ধ নিৰ্মাণ কৰিছিল।

**চিত্ৰকলা ঃ** চিত্ৰকলাৰ ক্ষেত্ৰত চোলসকলে পল্লৱ আৰু পাণ্ড্যসকলৰ (Pandya) কলাক অনুসৰণ আৰু বিকশিত কৰিছিল। খ্ৰীষ্টাব্দ এঘাৰশ শতিকাৰ চোলসকলৰ চিত্ৰকলা তাঞ্জোৰৰ বৃহৎ শিৱ মন্দিৰত দেখা পোৱা যায়। কক্ষৰ ভিতৰৰ বেৰসমূহ সুন্দৰ চিত্ৰৰে সুশোভিত কৰি তুলিছিল।



**জানি থোৱা ভাল**

**বিমান ঃ** গৰ্ভগৃহ আৰু শিখৰেৰে গঠিত মূল মন্দিৰ।

**গপুৰম ঃ** দক্ষিণ ভাৰতীয় বা দ্ৰাবিড় ভাস্কৰ্য বিদ্যাৰ বৃহৎ প্ৰৱেশদ্বাৰ।



**অগ্ৰগতিৰ নিৰীক্ষণ**

**প্ৰশ্ন ৪ ঃ** কোনজন ছোলৰজাই নৱম শতিকাৰ মাজভাগত চোল সাম্ৰাজ্যৰ পুনৰুজ্জীৱিত কৰিছিল?

.....

**প্ৰশ্ন ৫ ঃ** কোনজন চোল ৰজাই বিখ্যাত কৃটিম জলসিঞ্চন হ্ৰদ 'চোলগংগম' নিৰ্মাণ কৰিছিল?

.....

**প্ৰশ্ন ৬ ঃ** চোলসকলৰ ব্ৰঞ্জৰ মূৰ্তিৰ ভিতৰত কোনটো মূৰ্তি আটাইতকৈ উত্তম আছিল?

.....

● **চালুক্য**

খ্ৰীষ্টাব্দ ষষ্ঠ শতিকাৰ মাজভাগৰ পৰা অষ্টম শতিকালৈ আৰু পুনৰ খ্ৰীষ্টাব্দ দহৰ পৰা বাৰ শতিকালৈ বাতাপীৰ চালুক্যসকল দক্ষিণ ভাৰতৰ এক প্ৰধান শক্তি হিচাপে পৰিগণিত হৈছিল। তেওঁলোকৰ মূল ঘাটি আছিল উত্তৰ মহীশূৰৰ বাতাপী আৰু আই'হোলৰ (Aihole) পাৰ্শ্বৱৰ্তী অঞ্চল। পাছত তেওঁলোক উত্তৰ দিশে অগ্ৰসৰ হৈ ভাকাটাকাসকলৰ পৰা নাচিক আৰু ওপৰ গোদাবৰী নিজ ৰাজ্যৰ লগত চামিল কৰে। প্ৰথম পুলকেশী (৫৫০-৫৬৬) বাতাপীৰ চালুক্য ৰাজবংশৰ প্ৰকৃত প্ৰতিস্থাপক আছিল।

চালুক্য ৰজাসকল কলা আৰু স্থাপত্যবিদ্যাৰ পৃষ্ঠপোষক আছিল। তেওঁলোকে আইহোল বাদামী (বাতাপী) আৰু পাট্টাদাকালত বহুতো মনোমোহা মন্দিৰ নিৰ্মাণ কৰিছিল। আইহ'লক

ভাৰতৰ মন্দিৰ স্থাপত্য বিদ্যাৰ উৎস স্থল হিচাপে গণ্য কৰা হয়। লাড় খান মন্দিৰ, দুর্গা মন্দিৰ আৰু হুচিমালাগুৰি মন্দিৰ আইহ'লৰ তিনিটা বিখ্যাত মন্দিৰ।

চালুক্য সকলে কঠিন শিলত হিন্দু দেৱতাৰ কেইবাটাও গুহা মন্দিৰ খনন কৰিছিল। M.N.Ghosh য়ে তেওঁৰ গ্ৰন্থ 'Early History' ত উল্লেখ কৰিছে যে "Some of the latest Chaitya halls at Ajanta cave were probably executed in the time of the Chalykyas. A painting in the first monastic hall at Ajanta cave represents the reception of an embassy of Pulakeshin II by the Persian king khusrau II."

চালুক্যসকলে বিলাতী মাটি আৰু বালিৰ মিশ্ৰণৰ অবিহনে শিলৰ গাথঁনিৰে বহুতো মন্দিৰ নির্মাণ কৰিছিল। 'মেগুটি'ৰ 'শিৱ মন্দিৰ' শিলৰ গাঁথনিৰে নির্মাণ কৰা এক মনোমোহা মন্দিৰ আছিল। এই মন্দিৰত দ্বিতীয় পুলকেশীৰ ওপৰত ৰবিকিৰ্তীয়ে ৰচনা কৰা প্ৰশস্তি আছে। আইহ'লৰ 'বিষ্ণু মন্দিৰ' শিলত নির্মিত বুদ্ধ চৈত্য হ'ল শৈলীৰ আছিল।

খ্ৰীষ্টাব্দ সপ্তম শতিকাত চালুক্য ৰজাসকলে শিলত কটা হ'ল (Hall) ৰ এক নতুন শৈলী আৰম্ভ কৰিছিল। পাট্টাদাকালত (Pattadakal) থকা দহটা মন্দিৰত এই শৈলী প্ৰতিফলিত হৈছে। পাট্টাদাকালৰ মন্দিৰ সমূহৰ ভিতৰত বিৰুপাক্ষ মন্দিৰ আটাইতকৈ উল্লেখযোগ্য আছিল। এই মন্দিৰ দ্বিতীয় বিক্ৰমাদিত্যৰ ৰাণী লোকমহাদেৱীয়ে নির্মাণ কৰিছিল।



**অগ্ৰগতিৰ নিৰীক্ষণ**

**প্ৰশ্ন ৭ ঃ** বাতাপীৰ চালুক্য ৰাজবংশৰ প্ৰকৃত প্ৰতিস্থাপক কোন আছিল ?

.....

**প্ৰশ্ন ৮ ঃ** আইহ'লৰ তিনিটা বিখ্যাত মন্দিৰৰ নাম উল্লেখ কৰক।

.....

**প্ৰশ্ন ৯ ঃ** চালুক্য ৰজা দ্বিতীয় পুলকেশীৰ ওপৰত কোনে প্ৰশস্তি ৰচনা কৰিছিল ?

.....

## ১২.৪ মৌলিক বৈশিষ্ট্য

পল্লৱসকলৰ স্থাপত্য বিদ্যা দক্ষিণ ভাৰতৰ ইতিহাসৰ এক গৌৰৱময় অধ্যায়। পল্লৱসকলৰ স্থাপত্য আৰু ভাস্কৰ্যৰ বহুতো স্বকীয় বৈশিষ্ট্য আছে যাক আমি পল্লৱ শৈলী হিচাপে আখ্যা দিব পাৰো। গর্ভগৃহৰ ওপৰত থকা বিমান সমূহ কেইবা মহলীয়া যি ওপৰলৈ পিৰামিডৰ আকৃতিত বাঢ়ি যোৱা। প্ৰত্যেক ওপৰ মহলা তলৰ মহলাতকৈ সৰু। গর্ভ গৃহসমূহ বর্গাকৃতিৰ আৰু চাৰিওকাষে বাৰাণ্ডাৰে আগুৰা, যাক পৰিক্ৰমা বা পদক্ষিণ বুলি কোৱা হয়। মন্দিৰৰ প্ৰৱেশদ্বাৰত সুন্দৰকৈ সুশোভিত গপুৰম আৰু গর্ভগৃহৰ সমুখত একোটাকৈ মন্দপম আছে।

পল্লৱ সকলৰ ধৰ্মৰাজ, ভীম, আৰু সহদেৱ ৰথ বৌদ্ধ গুহা মন্দিৰ আৰু গাঁথ নিৰে নির্মিত দ্রাবিড় মন্দিৰ শৈলীৰ এক যোগসূত্র আছিল।

প্রাৰম্ভিক অৱস্থাত নৱম পৰা দশম শতিকাৰ প্রথম ভাগত চোলসকলে কেৱল শিলেৰে নির্মাণ কৰা মন্দিৰ সমূহ আকাৰত সৰু আছিল। এই অৱস্থাত চোলসকলৰ মন্দিৰসমূহ বিমান (Vimana) আৰু প্রকাৰই (Prakara) আৱৰা অর্দ্ধমন্দপমৰ সৈতে প্রৱেশদ্বাৰত গপুৰমৰ (Gopuram) দ্বাৰা গঠিত আছিল। পৰৱর্তী পর্যায়ত চোল ৰজাসকলে কেইবা মহলীয়া বৃহৎ আকাৰৰ মন্দিৰ নির্মাণ কৰিছিল। চোলসকলৰ দিনত দ্রাবিড় স্থাপত্য শৈলীত কিছু পৰিৱর্তন সাধন হৈছিল। সেইটো হৈছে মন্দিৰৰ সৈতে বিশাল প্রৱেশদ্বাৰৰ সংযোজন যাক গপুৰম বুলি কোৱা হয়।

চোলসকলৰ ভাস্কর্যৰ মূল বিষয়বস্তু আছিল আলেখ্য বা মুখায়ৱ(Portaits), ধর্মমূলক চিত্র আৰু আলংকাৰিক ভাস্কর্য। আলেখ্যৰ সংখ্যা তাকৰ কিন্তু ধর্মমূলক চিত্রৰ সংখ্যা সৱহ আছিল।

তাঞ্জোৰ মন্দিৰৰ গর্ভগৃৰ চাৰিওকাষে থকা পদক্ষিণ পথত থকা চোলসকলৰ চিত্রৰ মূল বিষয়বস্তু আছিল ধর্মীয়।

চালুক্যসকলে হিন্দু দেৱতাৰ বহুতো গুহা মন্দিৰ নির্মাণ কৰিছিল। চালুক্যসকলৰ স্থাপত্য বিদ্যাৰ এটা মৌলিক বৈশিষ্ট্য হৈছে যে তেওঁলোকে বিলাতী মাটি আৰু বালিৰ মিশ্রণৰ অবিহণে শিলৰ গাঁথনিৰে মন্দিৰ নির্মাণ কৰিছিল। আইহ'ল (Aihole)ৰ বিষ্ণু মন্দিৰ বৌদ্ধ চৈত্য ঘৰৰ শৈলীত নির্মাণ কৰা হৈছিল।

## ১২.৫ অৱদানসমূহ

চালুক্য, পল্লৱ আৰু চোলসকলে একেলগে মিলি স্থাপত্য কলাৰ বিকাশত যথেষ্ট অৰিহণা যোগাই গৈছে যি দক্ষিণ ভাৰতৰ কলাৰ ইতিহাসৰ এক গৌৰৱময় অধ্যায়।

**পল্লৱ ঃ** পল্লৱ ৰজা সকলে দক্ষিণ ভাৰতৰ মন্দিৰ স্থাপত্য কলাৰ এক গতিৰ আৰম্ভণি কৰিছিল। মহাবলীপুৰমত প্রথম মহেন্দ্রবর্মণে কঠিন শিলৰ পৰা মন্দিৰ খননৰ পদ্ধতি আৰম্ভ কৰিছিল আৰু ইয়াক "দক্ষিণ ভাৰতৰ স্থাপত্য আৰু ভাস্কর্যৰ জন্ম স্থান হিচাপে পৰিণত কৰিছিল"। মহাবলীপুৰমৰ ৰথ মন্দিৰ আৰু উপকূলৱর্তী মন্দিৰ সমূহে প্রাচীন ভাৰতৰ স্থাপত্যৰ সুন্দৰ নিদর্শন সমূহৰ ভিতৰত এক উচ্চ স্থান অধিকাৰ কৰি আছে।

পল্লৱ সকলৰ দ্রাবিড় শৈলীৰ মন্দিৰ স্থাপত্যই সুদূৰ প্রাচ্যৰ ভাৰতীয় উপনিৱেশ সমূহৰ স্থাপত্য বিদ্যাক বৰকৈ প্রভাৱিত কৰিছিল। জাভা, কম্বোডিয়া আৰু ভিয়েটনামৰ মন্দিৰ সমূহত দ্রাবিড় শৈলীৰ শিখৰ দেখা যায়।

**ছোল ঃ** পুলমাংগীত থকা ব্রহ্মপুৰীশ্বৰ মন্দিৰ প্রাৰম্ভিক ছোল স্থাপত্যৰ এক অপূর্ব নিদর্শন। মহান ৰাজাৰাজা আৰু ৰাজেন্দ্র চোলে নির্মাণ কৰা তাঞ্জোৰ আৰু গংগাইকোন্দচোলপুৰমৰ মন্দিৰত দ্রাবিড় মন্দিৰ শৈলীয়ে শ্রেষ্ঠ প্রকাশ ভংগীত উপনীত হৈছিল।

ভাস্কর্যৰ ক্ষেত্রত চোলসকলে আলেখ্য বা মুখায়ব, ধর্মমূলক চিত্র আৰু সুশোভিত ভাস্কর্য ব্যৱহাৰ কৰিছিল। অজিত ঘোষৰ মতে - "কোম্বাকোনমৰ নাগেশ্বৰ মন্দিৰত জীৱন আৰু সৌন্দর্যৰ এক নতুন আৰু আকর্ষণীয় কল্পনাৰ ৰূপৰেখা অংকন কৰা হৈছিল। এই চোল নাৰীসকল চিত্রবৎ আৰু বাস্তৱধর্মী মানৱ অৱয়ব, নাৰী সৌন্দর্য আৰু জীৱনৰ সুখানুভূতিৰে ভৰপূৰ। দক্ষিণ ভাৰতৰ শিল্প কলালৈ চোলসকলৰ প্রধান অৱদান আছিল মানৱতাবাদ।"

তাঞ্জোৰৰ আৰু গংগাইকোন্দচোলপুৰমৰ বৃহদেশ্বৰ মন্দিৰৰ বেৰ বৃহৎ আকাৰৰ বহুতো ধর্মমূলক চিত্রৰে ভৰি আছে।

**চালুক্য ঃ** আইহ'লৰ মন্দিৰৰ কিছুমান গুহাত অংকিত চিত্র চালুক্যসকলৰ দিনৰ শ্রেষ্ঠ নিদর্শন। উত্ত ভাৰতৰ শৈলীত চালুক্যসকলে নির্মাণ কৰা মন্দিৰসমূহৰ ভিতৰত 'পাপনাথ মন্দিৰ' আটাইতকৈ উল্লেখনীয়। চালুক্যসকলে উত্তৰ আৰু দক্ষিণ ভাৰতৰ বৈশিষ্ট্যসমূহ একেটা গাঁথনিতে সংলগ্ন কৰিবলৈ চেষ্টা চলাইছিল।

পাট্টাদাকালত থকা বিৰুপাক্ষ মন্দিৰ চালুক্যসকলৰ অৱশেষৰ এক মনোমোহা নিদর্শন। Havell ৰ মতে -" The temples combines the stateliness of the classic design of Europe with fervid imagination of Gothic art."



**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন ১০ ঃ** গোপুৰম কি ?

.....

**প্রশ্ন ১১ ঃ** চালুক্যৰ দ্বাৰা নির্মিত মন্দিৰ এটাৰ নাম লিখক।

.....



## ১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পল্লৱ সকলৰ মন্দিৰৰ স্থাপত্য শৈলীৰ দুটা প্রধান বৈশিষ্ট্য হৈছে "শিলত কটা মন্দিৰ" আৰু "গাঁথনিৰে নির্মাণ কৰা মন্দিৰ"। পল্লৱ ৰজা মহেন্দ্র বর্মণৰ দিনত কিছুমান সুন্দৰ চিত্রকলাইও উন্নতি লাভ কৰিছিল।
- চোলসকলৰ ৰাজত্বকালত কেনেকৈ স্থাপত্য কলাই প্রগতি লাভ কৰিছিল সেই সম্পর্কে জানিব পাৰিলে। চোল সকলে তাঞ্জোৰ আৰু গংগাইকোন্দচোলপুৰমৰত কিছুমান মনোমোহা মন্দিৰ নির্মাণ কৰিছিল। ইয়াৰ উপৰিও, নটৰাজৰ কিছুমান ব্রঞ্জৰ মূর্তি আৰু তাঞ্জোৰৰ শিৰ মন্দিৰত থকা চিত্রই কলা- সমালোচক সকলৰ উচ্চ প্রশংসা বুটলিবলৈ সক্ষম হৈছে।

- চালুক্যসকলৰ স্থাপত্যৰ মূল কেন্দ্রস্থল আছিল আইহ'ল, বাদামী আৰু পাট্টাদাকাল। আইহ'ল আৰু পাট্টাদাকালৰ সুন্দৰ মন্দিৰসমূহে আমাক তেওঁলোকৰ ৰাজনৈতিক শক্তি, স্থাপত্য কলাৰ প্ৰতি প্ৰেম আৰু ভগৱানৰ প্ৰতি থকা অনুৰাগৰ কথা সোঁৱৰাই দিয়ে।



## ১২.৭ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**

1) Majumdar, R.C. (1960). *Ancient India.* Delhi, India: Motilal Banarsidas

2) Maiti, Provatansu. (1998). *Studies in Ancient India*. Kolkata, India: Shreedhar Prakashan



## ১২.৮ অগ্রগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** দ্বিতীয় নৰসিংহবৰ্মণ

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** গংগাৰ অৱৰোহণ

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** বৈকুণ্ঠ পেৰুমল মন্দিৰ

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** বিজয়ালয়

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** প্ৰথম ৰাজেন্দ্র

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** নাগেশ্বৰ মন্দিৰত থকা নটৰাজৰ মূৰ্তি

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** বাদামী

**৮ নং প্ৰশ্নৰ উত্তৰ ঃ** লাড় খান মন্দিৰ, দুৰ্গা মন্দিৰ আৰু হাচিমালিগুৰি মন্দিৰ।

**৯ নং প্ৰশ্নৰ উত্তৰ ঃ** ৰবিকিৰ্তী

**১০ নং প্ৰশ্নৰ উত্তৰ ঃ** বহল প্ৰৰেশদ্বাৰ

**১১ নং প্ৰশ্নৰ উত্তৰ ঃ** পাপনাথ মন্দিৰ



## ১২.৯ আৰ্হি প্ৰশ্ন

**(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)**

**প্ৰশ্ন নং ১ ঃ** কোনটো দক্ষিণ ভাৰতীয় ৰাজবংশই মন্দিৰ নিৰ্মাণত বেচাৰা (vesara) শৈলী বিকশিত কৰিছিল?

**প্ৰশ্ন নং ২ ঃ** পাট্টাদাকালৰ বিৰুপাক্ষ মন্দিৰ কোনে নিৰ্মাণ কৰিছিল?

**প্ৰশ্ন নং ৩ ঃ** কোনটো মন্দিৰত আমি পল্লৱ ৰজা-ৰাণী সকলৰ জীৱন্ত সদৃশ আলেখ্য দেখা পাওঁ?

**প্ৰশ্ন নং ৪ ঃ** তাঞ্জোৰৰ বৃহদেশ্বৰ মন্দিৰ কোনে নিৰ্মাণ কৰিছিল?

**(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)**

**প্ৰশ্ন নং ১ ঃ** পল্লৱসকলৰ ভাস্কৰ্যৰ মামালা শৈলীৰ বিষয়ে চমুৱাই আলোচনা কৰক।

**প্ৰশ্ন নং ২ ঃ** পেল্লৱসকলৰ চিত্ৰকলাৰ বিষয়ে চমুটোকা লিখক।

**প্ৰশ্ন নং ৩ ঃ** ছোলসকলৰ ভাস্কৰ্যৰ বিষয়ে চমুটোকা লিখক।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত দিয়ক)**

**প্ৰশ্ন নং ১ ঃ** ছোলসকলৰ ৰাজত্বকালত উন্নতি লাভ কৰা স্থাপত্য কলাৰ বিষয়ে আলোচনা কৰক।

**প্ৰশ্ন নং ২ ঃ** পল্লৱ সকলৰ বিভিন্ন প্ৰকাৰৰ মন্দিৰৰ ভাস্কৰ্য শৈলীৰ বিষয়ে বৰ্ণনা কৰক।

**প্ৰশ্ন নং ৩।** ছোলসকলৰ ৰাজত্বকালত কেনেকৈ স্থাপত্য আৰু ভাস্কৰ্যই উন্নতি লাভ কৰিছিল সেই বিষয়ে বৰ্ণনা কৰক।

*******